# মহাবিদ্যালয়ৰ শীৰ্ষ গীত

কথা-সুৰ : যুগান্ত গগৈ

(১)

পোহৰৰ সন্ধান দিলা তুমি
সোৱণশিৰি পাৰতে ৰৈ,
ধন্য কৰিলা আমাৰ জীৱন
পোহৰৰে হাত শিৰত থৈ।

(২)

জীৱনৰ ছন্দ
পালো বিচাৰি
মধুময় পৰশত,
জ্বলিব লাগিছে
অৰ্বুদ চাকি
তোমাৰ সুলভ আৱেশত।
জীৱন উৰ্দ্ধ কৰি আছা নিতে
পোহৰৰে নৈ হৈ

(৩)

ন-পুৰণি অভিনৱ চিন্তাৰে
মেলিলা সোণালী দুৱাৰ
কৌটিকলীয়া এলান্‌ধু আঁতৰাই
আনিছা নৱ জোৱাৰ
দিগন্ত বিয়পি পৰিছে খিয়াতি
থাকিবা সেউজীয়া হৈ।